# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-12-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি কুৱেইটত দেশখনৰ নেতৃবৃন্দৰ সৈতে আলোচনাত মিলিত হ'ব।

২। কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে বিভাগটোৰ এশ এগৰাকী বিষয়া আৰু কৰ্মচাৰীক অতি বিশিষ্ট ৰে'লসেৱা বঁটা প্ৰদান কৰে।

৩। মালয়েছিয়াৰ কুৱালালামপুৰত আজি ১৯ বছৰৰ অনুৰ্ধৰ মহিলা টি-টুৱেণ্টি এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰত, বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

*আৰু*

৪। মহিলাৰ আই চি চি চেম্পিয়নশ্বিপ শৃংখলাৰ প্ৰথমখন খেল আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত অনুষ্ঠিত হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি কুৱেইটত দেশখনৰ নেতৃবৃন্দৰ সৈতে আলোচনাত মিলিত হ'ব। এই বৈঠকৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীক দেশখনৰ বায়ান পেলেচত হ'বলগীয়া এটা বিশেষ অনুষ্ঠানত আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হ'ব। ইয়াৰ পাছত তেওঁ কুৱেটৰ আমিৰ আৰু দেশখনৰ যুৱৰাজৰ সৈতে পৃথক বৈঠকত মিলিত হ'ব। তেওঁ লগতে দেশখনৰ প্ৰধানমন্ত্ৰীৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হ'ব। প্ৰধানমন্ত্ৰী কালি দুদিনীয়া ভ্ৰমণসূচীৰে কুৱেইটত উপস্থিত হয়। উল্লেখযোগ্য যে, বিগত ৪৩ বছৰত ভাৰতীয় প্ৰধানমন্ত্ৰীৰ এয়া প্ৰথম কুৱেইট ভ্ৰমণ। কুৱেইটৰ আমিৰৰ নিমন্ত্ৰণ মৰ্মে তেওঁ দেশখনলৈ গৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে কালি দেশখনত ভাৰতীয় মূলৰ লোকসকলে আয়োজন কৰা এটা অনুষ্ঠানত অংশগ্ৰহণ কৰে। কুৱেইটত বাস কৰা ভাৰতীয় মূলৰ লোকসকলৰ কঠোৰ পৰিশ্ৰম, সাফল্য আৰু দেশখনৰ বিকাশৰ যাত্ৰাত আগবঢ়োৱা অৱদানৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে দেশ দুখনৰ মাজৰ সম্পৰ্কক দৃঢ় কৰাৰ বাবে তেওঁলোকে আগবঢ়োৱা অৱদানক প্ৰশংসা কৰে। বিশ্ববন্ধু অৰ্থাৎ সমগ্ৰ বিশ্বৰ সৈতে বন্ধুত্বভাৱ গঢ়ি তোলাৰ ভাৰতীয় দৃষ্টিভংগীৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে প্ৰযুক্তি, আন্তঃগাঁথনি আদি ক্ষেত্ৰত দেশৰ দ্ৰুত বিকাশ আৰু পৰিৱৰ্তনৰ বিষয়ে ব্যাখ্যা কৰে। ভাৰতৰ, সমগ্ৰ বিশ্বৰ ভিতৰতে দক্ষতাৰ কেন্দ্ৰ হোৱাৰ সামৰ্থ্য আছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে গোলকীয় প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি দেশে দক্ষতা বিকাশৰ কাৰ্যসূচীসমূহ গ্ৰহণ কৰিছে বুলি প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে কুৱেটৰ মীনা আব্দুলা অঞ্চলৰ এটা শ্ৰমিক শিৱিৰ পৰিদৰ্শন কৰি ভাৰতীয় শ্ৰমিকসকলৰ সৈতে বাৰ্তালাপ কৰে। উল্লেখযোগ্য যে, এই শিৱিৰটোত ভাৰতৰ বিভিন্ন ৰাজ্যৰ প্ৰায় এহেজাৰ ৫০০ ভাৰতীয় শ্ৰমিক আছে। প্ৰধানমন্ত্ৰীয়ে যোৱা ১০টা বছৰত ভাৰত চৰকাৰে শ্ৰমিকৰ

কল্যাণৰ কাৰণে গ্ৰহণ কৰা বিভিন্ন কল্যাণকামী আঁচনিৰ বিষয়ে তেওঁলোকক অৱগত কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতীয় বিদেশ সেৱাৰ প্ৰাক্তন বিষয়া এশ এবছৰীয়া মংগল ছেইন পাণ্ডাকো সাক্ষাৎ কৰে। তেওঁ লগতে ২৬ সংখ্যক আৰবিয়ান গাল্ফ কাপৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০

কেন্দ্ৰীয় ৰে'ল তথা তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি ভাৰতীয় ৰে'ল সেৱালৈ আগবঢ়োৱা অতুলনীয় অৱদানৰ বাবে বিভাগটোৰ এশ এগৰাকী বিষয়া আৰু কৰ্মচাৰীক ৬৯ সংখ্যক অতি বিশিষ্ট ৰে'লসেৱা বঁটা প্ৰদান কৰে। এই উপলক্ষে নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে যোৱা ১০ বছৰত হোৱা ৰে'ল বিভাগৰ উন্নয়নৰ বিষয়ে উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে বিভাগটোৰ বিষয়া-কৰ্মচাৰীসকলক সুৰক্ষা, গুণগত মান আৰু প্ৰশিক্ষণত গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনায়। যোৱা বছৰটোত দেশৰ ৰে'ল মানচিত্ৰত ৫ হাজাৰ ৩০০ কিলোমিটাৰ ৰে'লপথ সংযোজিত হোৱা বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। কাশ্মীৰ আৰু কণ্যা কুমাৰী সংযোগী অভিলাষী প্ৰকল্পটো সম্পূৰ্ণ হোৱাৰ দিশত বুলিও তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে অহা বছৰৰ ভিতৰত ৰে'লখণ্ড ১০০ শতাংশই বৈদ্যুতিকীকৰণ হ'ব বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে, উৎপাদনশীলতা, ৰাজহ সংগ্ৰহ, সুৰক্ষা, প্ৰকল্প সম্পাদন, ক্ৰীড়াকে ধৰি বিভিন্ন ক্ষেত্ৰৰ পৰা বঁটা প্ৰাপ্যকসকলক নিৰ্বাচন কৰা হৈছে।

০০০০০

বিভিন্ন শৈক্ষিক পাঠ্যক্ৰমসমূহ শিক্ষাৰ্থীসকলে আঞ্চলিক ভাষাতো যাতে লাভ কৰিব পাৰে তাৰ ব্যৱস্থা কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি কালি কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে প্ৰকাশ কৰিছে। এই বছৰ চৌধুৰী চৰণ সিং বঁটাৰ আৰম্ভণি অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কৃষক আৰু গ্ৰামোন্নয়নৰ ক্ষেত্ৰত কাম কৰি থকা লোকসকলক সন্মান যচাৰ উদ্দেশ্যে এই বঁটাৰ প্ৰৱৰ্তন কৰা হৈছে বুলি উল্লেখ কৰে। দেশৰ মুঠ ঘৰুৱা উৎপাদনত কৃষি অৰ্থনীতিৰ সৰ্বাধিক অৱদান আছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ডিচেম্বৰত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১৭ সংখ্যক খণ্ড। জনসাধাৰণে এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু পৰামৰ্শ ১৮০০ ১১ ৭৮০০ টোল ফ্ৰী নম্বৰলৈ প্ৰেৰণ কৰিব পাৰে। নমো এপ' নাইবা মাই গ'ভ মুকলি মঞ্চৰ জৰিয়তেও জনসাধাৰণে নিজৰ পৰামৰ্শ প্ৰেৰণ কৰিব পাৰে। অহা ২৭ ডিচেম্বৰ পৰ্যন্ত মতামত আৰু পৰামৰ্শসমূহ প্ৰেৰণ কৰিব পাৰিব। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেৱছাইট আৰু newsonair মোবাইল এপত শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগে এই অনুষ্ঠানৰ লাইভ ষ্ট্ৰিমিং কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

মহাৰাষ্ট্ৰৰ নৱনিৰ্বাচিত চৰকাৰৰ দপ্তৰসমূহ কালি বিতৰণ কৰা হয়। মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছক গৃহ, শক্তি, আইন আৰু ন্যায়পালিকা, সাধাৰণ প্ৰশাসন বিভাগ, তথ্য আৰু প্ৰচাৰ বিভাগ তথা আন কোনো মন্ত্ৰীক আৱণ্টিত নোহোৱা বিভাগসমূহৰ দায়িত্ব অৰ্পণ কৰা হৈছে। উপ মুখ্যমন্ত্ৰী একনাথ সিন্দে আৰু অজিত পাৱাৰক নগৰ উন্নয়ন,

গৃহ নিৰ্মাণ, ৰাজহুৱা উদ্যোগ তথা বিত্ত আৰু পৰিকল্পনা বিভাগৰ দায়িত্ব অৰ্পণ কৰা হৈছে। মহাৰাষ্ট্ৰৰ বিজেপিৰ মুৰব্বী চন্দ্ৰশেখৰ বাৱানকুলেক ৰাজহ বিভাগৰ দায়িত্ব দিয়া হৈছে। উল্লেখযোগ্য যে, কেবিনেট আৰু ৰাজ্যিক মন্ত্ৰীকে ধৰি মুঠ ৩৯ গৰাকী মন্ত্ৰীক কালি দপ্তৰ বিতৰণ কৰা হয়।

00000

জাৰ্মানীৰ মেগডেবাৰ্গত শুকুৰবাৰে সংঘটিত ভয়ানক আক্ৰমণৰ ঘটনাক ভাৰতে গৰিহণা দিছে। এই আক্ৰমণৰ ঘটনাত পাঁচজন লোকৰ মৃত্যু হোৱাৰ লগতে ২০০ৰো অধিক লোক আহত হোৱাৰ বাতৰি পোৱা গৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত বৰদিনৰ বজাৰত সংঘটিত এই আক্ৰমণক বৰ্বৰ আৰু অবিবেচক বুলি অভিহিত কৰিছে।এই আক্ৰমণত ৭ গৰাকী ভাৰতীয় নাগৰিকো আহত হোৱাৰ বাতৰি পোৱা গৈছে। ইয়াৰে তিনিজনক চিকিৎসালয়ৰ পৰা মুকলি কৰি দিয়া হৈছে। জাৰ্মানীত থকা ভাৰতীয় মিছনে এই আক্ৰমণত আহত লোকসকলৰ সৈতে যোগাযোগ অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে শুকুৰবাৰে সন্ধিয়া বৰদিনৰ এখন জনাকীৰ্ণ বজাৰত কোনো দুৰ্বিত্তই বজাৰ কৰি থকা লোকক গাড়ীৰে মহতিয়াই নিছিল।

00000

ব্ৰাজিলত এখন যাত্ৰীবাহী বাছ আৰু ট্ৰাকৰ মাজত সংঘটিত এটা সংঘৰ্ষৰ ফলত ৩০ জন লোকৰ মৃত্যু হৈছে। দক্ষিণ-পূব ব্ৰাজিলৰ ৰাজ্য মিনাছ গেৰাইছৰ ঘাইপথত শনিবাৰে এই ঘটনা সংঘটিত হয়। মিনাছ গেৰাইছৰ অগ্নিনিৰ্বাপক বাহিনীয়ে প্ৰকাশ কৰা মতে এই ঘটনাত আহত আন ১৩ জন লোকক টিওফিলো অটোনি চহৰত থকা এখন চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। তেওঁলোকে জনায় যে, ৪৫ গৰাকী যাত্ৰীৰে সৈতে বাছখন চাও পাওলোৰ পৰা ৰাওনা হৈছিল ।

00000

মালয়েছিয়াৰ কুৱালালামপুৰত আজি ১৯ বৰ্ষৰ অনুৰ্ধৰ মহিলা টি-টুৱেণ্টি এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰত বাংলাদেশৰ সন্মুখীন হ'ব।

উল্লেখযোগ্য যে, গ্ৰুপ পৰ্যায়ৰ লগতে ছুপাৰ ফ'ৰৰ পইণ্ট তালিকাতো ভাৰত শীৰ্ষত আছিল। নেপালৰ বিৰুদ্ধে হ'বলগীয়া খেলখন বৰষুণৰ বাবে পৰিত্যক্ত হোৱাৰ বিপৰীতে গ্ৰুপৰ তিনিওখন খেলত দলটো জয়ী হয়। ফাইনেলত প্ৰৱেশৰ পথত ভাৰতে শ্ৰীলংকাক ৪ উইকেটত আৰু বাংলাদেশে নেপালক ৯ উইকেত পৰাস্ত কৰিছিল।

00000

পশ্চিম ভাৰত শ্লেম স্কোৱাশৰ মহিলাৰ ফাইনেলত এছিয়ান গেমছৰ দ্বৈত পদকজয়ী আনাহত সিং আৰু শীৰ্ষ বাছনিৰ আকাংক্ষা সালুংখে মুখামুখি হ'ব। খেলখন আজি দিনৰ ২ বাজি ৪৫ মিনিটত অনুষ্ঠিত হ'ব।

ছেমি ফাইনেলত আনাহতে ইজিপ্টৰ নুৰ খাফাগিক ৩-১, ১১-৪, ১২-১৪, ১১-৯, ১১-৯ ছেটত আৰু আকাংক্ষাই ইজিপ্তৰ পঞ্চম বাছনিৰ জানা ছ্'ৰাইফিক ১১-৫, ১২-১৪, ১৫-১৩, ৫-১১, ১২-১০ ছেত পৰাস্ত কৰিছিল। ইপিনে, পুৰুষৰ এখন ছেমি ফাইনেলত ভাৰতৰ বীৰ ছ'টৰাণী মালয়েছিয়াৰ অমিশেনৰাজ চন্দৰণৰ বিৰুদ্ধে ১০-১২, ১২-১৪, ৮-১১ৰ পোনপটীয়া ছেটত পৰাস্ত হৈছে।

০০০০০

আই চি চি মহিলা চেম্পিয়নশ্বিপ ২০২৩-২৫ৰ অংশস্বৰূপে আয়োজিত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ আই চি চি চেম্পিয়নশ্বিপ শৃংখলাৰ প্ৰথমখন খেল আজি বদোদৰাৰ কোটাম্বি ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন দিনৰ ১ বাজি ৩০ মিনিটত আৰম্ভ হ'ব।

০০০০০

**সমাপ্ত**